# বিভিন্নজনৰ দৃষ্টিত

# মুনীন বৰকটকী



সম্পাদকঃ উপেন্দ্ৰ বৰকটকী

বিভিন্নজনৰ দৃষ্টিত

# মুনীন বৰকটকী

সম্পাদক : উপেন্দ্ৰ বৰকটকী

মুনীন বৰকটকী স্মাৰক ন্যাস
পঞ্চৱটী, গুৱাহাটী ৭৮১০০৩

**Bibhinnajanar Dristit Munin Barkotoki :** A bilingual commemorative volume on the life and work of Munin Barkotoki, a noted writer, journalist and critic of Assam, and published by Dr. M. Bhattacharjee and Dr. A.K. Bhattacharjee on behalf of the Munin Barkotoki Memorial Trust.

First published on 6th November, 1994

Price Rs. Forty only

**প্ৰকাশক :** মুনীন বৰকটকী স্মাৰক ন্যাসৰ হৈ
ড° মীনাক্ষী ভট্টাচাৰ্য আৰু ডা° আশীষ কুমাৰ ভট্টাচাৰ্য,
পঞ্চৱটী, গুৱাহাটী ৭৮১০০৩, অসম।


**প্ৰথম প্ৰকাশ :** ৬ নবেম্বৰ, ১৯৯৪ চন

© প্ৰকাশকদ্বয়


**দাম :** ৪০·০০ টকা মাত্ৰ

**পৰিবেশক :** (১) লয়াৰ্ছ বুক্ ষ্টল, পানবজাৰ, গুৱাহাটী ১
(২) শঙ্কৰদেৱ লাইব্ৰেৰী, পঞ্চৱটী, গুৱাহাটী ৩

**মুদ্ৰক :** *স্বস্তিকা প্ৰিণ্টাৰ্ছ*
বৰঠাকুৰ মিল ৰোড, উলুবাৰী, গুৱাহাটী ৭৮১০০৭



৪০-৪২ বছৰ বয়সত



৭৫ বছৰ বয়সত



# সংকলয়িতা-সম্পাদকৰ নিবেদন

অসামান্য প্ৰতিভাৰে অসমৰ বৌদ্ধিক জগতত যশস্যা আৰু খ্যাতি অৰ্জন কৰাসকলৰ ভিতৰত মুনীন বৰকটকী অন্যতম। জ্ঞান অন্বেষণেই তেওঁৰ জীৱনৰ পথ আছিল। ইয়াত সুৰগা চবাইছিল তেওঁৰ প্ৰতিভাই। প্ৰতিভাৰ জোখাৰে তেওঁৰপৰা আমি যিখিনি পাব লাগিছিল, সেইখিনি নাপালো। কিন্তু তেওঁ যিখিনি দি থৈ গৈছে সেইখিনি আমাৰ জাতীয় সাহিত্য আৰু জাতীয় জীৱনৰ কাৰণে মূল্যবান সম্পদ। তেওঁ দিয়াখিনিৰ ভিতৰত গ্ৰন্থ আকাৰে 'বিস্মৃত ব্যতিক্ৰম'হে ওলাইছে। কিন্তু অসম আৰু অসমৰ বাহিৰৰ কাকত-আলোচনীত প্ৰকাশিত বিভিন্ন লিখনিসমূহ ভাগ ভাগ কৰি উলিয়ালে তেওঁৰ ক্ৰমেও ১০/১২ খন গ্ৰন্থ হ'ব।* প্ৰশ্ন হয়, এই কাম তেওঁ জীৱিত অৱস্থাতে নকৰিলে কিয়? অনেকে তেওঁৰ লিখনিসমূহ প্ৰকাশ কৰিবৰ কাৰণে আগ্ৰহেৰে আগবাঢ়ি আহিছিল, তেওঁৰ গুণমুগ্ধসকলেও এই কথা লৈ তেওঁক ব্যতিব্যস্ত কৰিছিল। কিন্তু গ্ৰন্থ প্ৰকাশ কৰা সম্পৰ্কীয় কথাত তেওঁ আছিল একেবাৰে নিৰ্বিকাৰ। 'নীৰৱ সাধনা'ই আছিল তেওঁৰ জীৱনৰ আদৰ্শ। সেই সাধনাত তেওঁ সিদ্ধি লাভ কৰিছিল কাৰণে সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত সুনাম

* সম্প্ৰতি কেইবাগৰাকী কৃতবিদ্য লোকক সম্পাদক হিচাপে লৈ সেই কাম কৰিবলৈ লোৱা হৈছে। —সম্পাদক

অৰ্জন কৰা সকলে তেওঁৰ সান্নিধ্য লাভ কৰি ধন্য হৈছিল, ৰোগশয্যাত পৰাৰ আগলৈকে গুৱাহাটীৰ সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠানসমূহে আমন্ত্ৰণ কৰি নি সন্তোষ পাইছিল, প্ৰথিতযশা লেখক-লেখিকাসকলে তেখেতসকলৰ নতুন কিতাপৰ অভিমত এটিৰ কাৰণে এইগৰাকী তীক্ষ্ণধী সমালোচকৰ ওচৰ চাপিছিল। মুনীন বৰকটকী মানুহগৰাকীৰ পাণ্ডিত্য আৰু প্ৰতিভা তেওঁৰ লিখনিত, তেওঁৰ চিন্তাধাৰাত আৰু তেওঁৰ কথা-বতৰাত এনেদৰে প্ৰকাশ পাইছিল যে সকলোকে তেওঁৰ নিজৰ সংস্পৰ্শলৈ অনায়াসে আনিব পাৰিছিল। ইয়াৰ লগতে অৱশ্যে মানুহগৰাকীৰ উদাৰতা আৰু মধুৰ ব্যৱহাৰৰ কথাও ক'ব লাগিব। কিবা কথাত কাৰোবাৰ প্ৰতি অসন্তুষ্টি প্ৰকাশ কৰিব লগা হ'লে তেওঁ সম্মুখতে ক'ব যদিও এনেধৰণে ক'ব, যাতে শুনোঁতাজনে শুনি বেয়া নাপায়। স্বভাৱত ধীৰ-স্থিৰ, স্পষ্টবাদী আৰু স্বাধীন মনৰ মুনীন বৰকটকী মানুহজন প্ৰকৃততে 'ব্যক্তিত্বসম্পন্ন' লোক আছিল।

মুনীন বৰকটকীৰ ব্যক্তিত্ব গঠনত তেওঁৰ পূৰ্বপুৰুষে ভালেখিনি অৰিহণা যোগাইছিল। পিতৃ দুৰ্গাধৰ বৰকটকী ব্ৰিটিছৰ ৰাজত্বকালত অসমৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক আছিল। অসমৰ শিক্ষিত সমাজত দুৰ্গাধৰ বৰকটকীক নজনা মানুহ নাই। গোৱালপাৰাৰ বিদ্যালয়সমূহত অসমীয়া ভাষা প্ৰতিষ্ঠাৰ কাৰণে তেখেতে বহুখিনি কৰিছিল। নিজে গ্ৰন্থ ৰচনা নকৰিলেও অসমীয়া গ্ৰন্থ প্ৰকাশ কৰি উলিওৱাত আগভাগ লৈছিল। পদ্মনাথ গোহাঞিবৰুৱাই সম্পাদনা কৰা 'বিজুলী'ৰ কেইবাটাও সংখ্যাৰ বেটুপাতত দুৰ্গাধৰ বৰকটকীৰ নাম প্ৰকাশক হিচাপে উল্লেখ আছে। মুনীন বৰকটকীৰ মাক হ'ল পদ্মাৱতী দেৱী ফুকননীৰ জীয়ৰী কমলিনী দেৱী। 'সুধৰ্মাৰ উপাখ্যান' — এই পুথিৰ কাৰণে পদ্মাৱতী দেৱী ফুকননীৰ অসমীয়া সাহিত্যত খ্যাতি আছে। পদ্মাৱতী দেৱী ফুকননীৰ দেউতাক আনন্দৰাম ঢেকিয়াল ফুকন সকলোৰে এটি নমস্য নাম। দুৰ্গাধৰ বৰকটকী আৰু কমলিনী দেৱীৰ চাৰিটি সন্তানৰ ভিতৰত পুত্ৰ সন্তান দুগৰাকী হ'ল — সত্যেন বৰকটকী আৰু মুনীন বৰকটকী। কন্যা সন্তান হ'ল — প্ৰেমলতা আৰু প্ৰীতিলতা। যিকেইজন অসমীয়াই প্ৰশাসনীয় ক্ষেত্ৰত দেশৰ ভিতৰত সুনাম অৰ্জন কৰিছিল সেইকেইজনৰ ভিতৰত সত্যেন বৰকটকীও এজন। এগৰাকী খ্যাতিসম্পন্ন লেখক হিচাপেও তেখেতৰ সুখ্যাতি আছে।

পিতৃ-মাতৃৰ কনিষ্ঠ সন্তান মুনীন বৰকটকীৰ জন্ম হয় ১৯১৫ চনৰ কাতি বিহুৰ দিনা যোৰহাটৰ তৰাজানত। যোৰহাট প্ৰেকটিচিং স্কুলত আদি শিক্ষা লোৱাৰ অন্তত দেউতাকৰ সৈতে কলিকতালৈ যায় আৰু তাত থাকি সপ্তমমানলৈকে পঢ়ে। অষ্টমমানৰপৰা যোৰহাট চৰকাৰী হাইস্কুলত পঢ়ি প্ৰৱেশিকা পৰীক্ষা দি প্ৰথম বিভাগত উত্তীৰ্ণ হয়। প্ৰৱেশিকা পৰীক্ষাৰ আগে আগে তেওঁৰ পিতৃ বিয়োগ হয়। সেইকাৰণে যোৰহাটত নতুনকৈ প্ৰতিষ্ঠা কৰা জে-বি



কলেজতে নাম লগায়। সেই কলেজৰপৰা সুখ্যাতিৰে 'ইণ্টাৰমিডিয়েট' পৰীক্ষাত কৃতকাৰ্য হোৱাৰ পাছত কটন কলেজলৈ আহে। ১৯৩৮ চনত 'ডিষ্টিংচন'ত প্ৰথম হৈ কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰভাত কুমাৰ স্বৰ্ণপদক লাভ কৰে। প্ৰভাত কুমাৰ দাস বৰকটকীদেৱৰ অন্তৰংগ বন্ধু আছিল। বি-এ পৰীক্ষা দিয়াৰ আগমুহূৰ্তত দাসে আত্মহত্যা কৰে। প্ৰভাত দাসৰ পিতৃয়ে তেওঁৰ সুযোগ্য পুত্ৰৰ স্মৃতিত এই বঁটা আগবঢ়াইছিল। বৰকটকীয়ে এই বঁটা লাভ কৰি যিদৰে গৌৰৱবোধ কৰিছিল, আনহাতেদি মনত দুখো পাইছিল। পিছে সেই মূল্যবান সোণৰ পদকটিও কোনোবাই চুৰ কৰি নিলে। তেওঁৰ এম.এ. অধ্যয়নো অসম্পূৰ্ণ হৈ থাকিল। ঢাকা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিছিল যদিও পৰীক্ষাহে দিয়া নহ'ল। বি.এ. পঢ়োতে তেওঁ এবা-ধৰাকৈ অৰ্থনীতি, বুৰঞ্জী আৰু ইংৰাজী তিনিওটাতে 'সন্মান' (এতিয়া 'প্ৰধান') লৈ পঢ়িছিল, তিনিওটা বিষয়তে বিশেষ নম্বৰো পাইছিল। কিন্তু খেয়ালি (?) মনৰ মানুহজনে 'অনাৰ্ছ' বা সন্মান এৰি দিলে যদিও বি.এ. পৰীক্ষাত কিন্তু কৃতিত্ব ভালদৰেই দেখুৱালে। ইয়াবদ্বাৰা অনুমান কৰিব পাৰি যে প্ৰণালীবদ্ধভাৱে কাম কৰাৰ তেখেতৰ স্পৃহা নাছিল।

শিক্ষাজীৱন এইদৰে সমাপ্ত হোৱাৰ আগেয়ে তেওঁৰ কৰ্মজীৱন আৰম্ভ হয়। বি.এ. পৰীক্ষা দি যোৰহাটৰ তিনিখন উচ্চ ইংৰাজী বিদ্যালয়ত প্ৰায় দুবছৰমান শিক্ষকতা কৰে। কিছুদিন নগা পাহাৰৰ মোককচাঙতো শিক্ষকতা কৰিছিল। তেতিয়া নগা পাহাৰলৈ যাতায়াতৰ কোনো সু-ব্যৱস্থা নাছিল। গতিকে মোককচাঙলৈ খোজকাঢ়ি যাওঁতে তিনিদিন সময় লাগিছিল। শিক্ষাজীৱনত তেওঁ যিদৰে কৃষ্ণকান্ত সন্দিকৈ, তুলসী নাৰায়ণ শৰ্মা, শ্ৰীযজ্ঞেশ্বৰ শৰ্মা আদি পণ্ডিতৰ সাহচৰ্য লাভ কৰিছিল, সেইদৰে কবি অমূল্য বৰুৱা, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, অজিতকুমাৰ শৰ্মা, পদুম বৰুৱা, ৰাজেন্দ্ৰ নাথ হাজৰিকা আদিক ছাত্ৰ হিচাপে পাই গৌৰৱ বোধ কৰিছিল।

শিক্ষকতাৰ পাছতে তেওঁ সংবাদপত্ৰৰ লগত ভালদৰে জড়িত হৈ পৰে। ইয়াৰ আগেয়ে অৱশ্যে ১৯৩৫ চনত তেওঁ যোৰহাটৰপৰা প্ৰকাশিত 'দৈনিক বাতৰি'ৰ লগত জড়িত আছিল। ১৯৩৯ চনত মাধৱ বেজবৰুৱা (ভাগিনী জোঁৱাই) সম্পাদিত 'বাঁহী'ৰ সহযোগী সম্পাদক হিচাপে যোগদান কৰে। ১৯৪৪-৪৬ চনত শ্বিলঙত কেন্দ্ৰীয় সামৰিক বিভাগৰ ত্ৰিভাষিক সাপ্তাহিক এখনৰ সহকাৰী সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰে। কিছুদিন 'দৈনিক অসমীয়া' আৰু 'আসাম ট্ৰিবিউন' কাকতৰো সহকাৰী সম্পাদক হয়। পাছত অসম চৰকাৰৰ গাঁও উন্নয়ন আৰু পৰিকল্পনা বিভাগৰ প্ৰচাৰ বিষয়া হিচাপে যোগ দিয়ে। ১৯৪৮ চনৰপৰা '৫৫ চনলৈকে অসম চৰকাৰৰ প্ৰচাৰ বিভাগৰ ক্ৰমে সম্পাদক আৰু উপ-সঞ্চালক পদত নিয়োজিত হয়। ১৯৫৫ চনৰপৰা '৬৫

চনলৈকে তেওঁ কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু অনাঁতাৰ বিভাগৰ উৰ্দ্ধতন বিষয়া হিচাপে যোগ্যতা দেখুৱায়। তেতিয়া তেওঁ দিল্লী আৰু কলিকতাত কেইবাবছৰো আছিল। ১৯৬৫ চনৰপৰা '৭০ চনলৈকে বৰকটকীদেৱে 'প্ৰেছ ইনফৰমেশ্যন ব্যুৰ' আৰু আকাশবাণীৰ বাৰ্তা-সম্পাদক হিচাপে সেৱা আগবঢ়ায়। ১৯৭০ চনত তেওঁ চৰকাৰী চাকৰিৰপৰা অৱসৰ লয়। চৰকাৰী-বেচৰকাৰী বিভিন্ন পদত থকাৰ উপৰি ১৯৭২-৭৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাংবাদিকতা বিভাগত তেখেতে অধ্যাপনা কৰিবলগা হৈছিল।

চাকৰিকালৰ ভিতৰতে ১৯৫৯ চনত তেওঁ বিবাহপাশত আবদ্ধ হয়। তেওঁৰ পত্নী ৰেণুকা দেৱী বৰকটকীও ছাত্ৰী হিচাপে অতি তীক্ষ্ণধী আছিল। প্ৰৱেশিকা পৰীক্ষাত 'অংক', 'সংস্কৃত' আৰু 'অসমীয়া'ত লেটাৰ লৈ উত্তীৰ্ণ হোৱা ৰেণুকা দেৱী বৰকটকী দীঘদিন ধৰি ৰাজনীতি আৰু বিভিন্ন সামাজিক কামত জড়িত আছে। প্ৰাক্তন কেন্দ্ৰীয় শিক্ষামন্ত্ৰী আৰু সংসদ সদস্যা হিচাপে তেওঁ সুখ্যাতি অৰ্জন কৰিছিল। অসম বিধান সভাৰ বিৰোধী দলৰ উপ-দলনেত্ৰী হিচাপেও তেওঁ আলোড়ন তুলিছিল। ৰেণুকা দেৱী বৰকটকী এনে ব্যস্ততাৰ মাজত থাকিলেও স্বামীক কিন্তু কেতিয়াও ঘৰুৱা চিন্তা কৰিবলৈ আৰু বজাৰ-সমাৰ কৰিবলৈ নিদিছিল। তেওঁলোকৰ একমাত্ৰ কন্যা সন্তান মীনাক্ষী বৰকটকীৰ বিশিষ্ট চিকিৎসক আশীষ কুমাৰ ভট্টাচাৰ্য্যৰ সৈতে ১৯৮৪ চনত বিবাহ হয়। গণিতশাস্ত্ৰৰ ছাত্ৰী হ'লেও মীনাক্ষীক দেউতাকে সততে দেশ-বিদেশৰ সাহিত্য অধ্যয়ন কৰিবলৈ প্ৰেৰণা যোগাইছিল।

মুনীন বৰকটকীয়ে স্কুলত পঢ়ি থকা দিনতে ১৯২৯-৩০ চনৰপৰা সাহিত্যসেৱাত মনোনিবেশ কৰে। তেওঁৰ প্ৰথম লেখা 'History of an umbrella' (ইংৰাজীত) যোৰহাট চৰকাৰী হাইস্কুলৰ মুখপত্ৰ 'জেউতি'ত প্ৰকাশ পায়। একে সময়তে শিৱসাগৰৰপৰা কমলালয়া কাকতীৰ সম্পাদনাত ওলোৱা মহিলা আলোচনী 'ঘৰ-জেউতি'ত 'নোমল' নামৰ চুটি গল্পটি প্ৰকাশ পায়। প্ৰৱেশিকা পৰীক্ষা পাছ কৰালৈকে বেজবৰুৱাৰ 'বাঁহী'ত দেশী-বিদেশী ৰাজনীতিক, সাহিত্যিক আৰু শিল্পীসকলৰ জীৱনালেখ্য আৰু যোৰহাটৰপৰা স্বৰ্গীয় বিপিন বৰুৱাৰ সম্পাদনাত ওলোৱা তেতিয়াৰ একমাত্ৰ অসমীয়া গল্প আলোচনী 'গল্প চিৰিজ'ত ধাৰাবাহিকভাৱে গল্প লিখিবলৈ ধৰে। গল্পৰ বাহিৰেও তেওঁ কবিতা, একাংকিকা আদিও ৰচনা কৰিছিল। 'কনফেশ্যনছ' ৰম্য ৰচনা লিখি তেওঁ এহাতে যিদৰে অসমীয়া সাহিত্যত বুদ্ধিদীপ্ত হাস্যৰসৰ সূচনা কৰিছিল, আনহাতে 'আৱাহন'ত (সপ্তম বছৰ, অষ্টম সংখ্যা) 'জীৱনৰ অৰ্থ কি?' — এনে ধৰণৰ জটিল তথ্যগধুৰ প্ৰবন্ধ লিখি অসমীয়া চিন্তাশীল প্ৰবন্ধৰ সমৃদ্ধি বঢ়াইছিল। 'আৱাহন', 'জয়ন্তী' আৰু সেই সময়ৰ কেইবাখনো আলোচনীত নিয়মীয়াকৈ সাহিত্যচৰ্চা কৰা মুনীন্দ্ৰনাথ বৰকটকী বা মুনীন বৰকটকীজন পিছলৈ বহুদিন



নীৰৱ হৈ থাকিল। '৬৭-'৬৮ চনমানত তেতিয়াৰ 'অসম বাতৰি' কাকতৰ সম্পাদক শ্ৰীচাৰু মহন্তৰ নেৰানেপেৰা অনুৰোধত তেওঁ অগতানুগতিক ধৰণৰ এলানি জীৱনী লিখিবলৈ পুনৰ আৰম্ভ কৰিলে। পাছত সেই জীৱনীসমূহৰ সংকলন হিচাপে বিখ্যাত 'বিস্মৃত ব্যতিক্ৰম' গ্ৰন্থখন উলিওৱা হ'ল।

মুনীন বৰকটকীয়ে দেশৰ বিভিন্ন সমস্যাৰ বিষয়েও প্ৰবন্ধ-পাতি আৰু চিঠিপত্ৰ লিখিছিল। প্ৰত্যেকটো কথাতে যে তেওঁ অতি সচেতন আছিল আৰু তীক্ষ্ণ দৃষ্টি ৰাখিছিল এই লেখাবিলাকেই প্ৰমাণ কৰে। তদুপৰি আগশাৰীৰ আলোচনীসমূহত তেওঁ নিয়মীয়াকৈ পুথি সমালোচনাও কৰিছিল। আকাশবাণী গুৱাহাটী আৰু ডিব্ৰুগড় কেন্দ্ৰই তেওঁৰপৰা ভালেসংখ্যক পুথিৰ সমালোচনা লিখাই প্ৰচাৰ কৰাইছিল। অভিনয় সম্বন্ধীয় বিষয়তো তেওঁৰ বিশেষ ৰাপ আছিল আৰু সেই সম্পৰ্কে ভালেমান আলোচনা আগবঢ়াইছিল। ৰবীন্দ্ৰ সংগীতৰ প্ৰতি বিশেষ আকৰ্ষণ থকা মুনীন বৰকটকী এসময়ত গায়কো আছিল।

সাহিত্যচৰ্চাৰ ক্ষেত্ৰত তেওঁক আদিতে বিপিন বৰুৱা, ধ্বনিকবি বিনন্দ চন্দ্ৰ বৰুৱা, বকুল বনৰ কবি আনন্দ চন্দ্ৰ বৰুৱা, সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা আৰু পিছলৈ কলিকতাত বেজবৰুৱা, হলীৰাম ডেকা, মহাদেৱ শৰ্মা, ধৰ্মেশ্বৰী দেৱী বৰুৱানী, ঊষা ভট্টাচাৰ্য প্ৰভৃতিয়ে অনুপ্ৰাণিত আৰু উৎসাহিত কৰিছিল। এইসকলৰ উপৰি তেওঁৰ নিজৰ ভাষাত — "ককা ফুকন, ডেকা ফুকন আৰু লক্ষ্মীনাথ ফুকন এই তিনিগৰাকী ফুকন আৰু অমিয় কুমাৰ দাসৰপৰা অপ্ৰত্যাশিত অনুপ্ৰেৰণা নোপোৱা হ'লে প্ৰৱেশিকা দেওনা পাৰ হোৱাৰ পাছত মই হয়তো সাহিত্য ক্ষেত্ৰৰপৰা দুপতীয়াতে বিদায় ললোঁহেঁতেন"।

সাহিত্যৰ দৰেই সংবাদপত্ৰৰ জগতখনৰ লগতো তেওঁৰ হাইস্কুলৰ উচ্চ শ্ৰেণীত থাকোতেই (১৯৩০-৩২) প্ৰথম সম্বন্ধ স্থাপিত হয়। সেই সময়ত যোৰহাটৰ বিষ্ণুৰাম বৰুৱা লাইব্ৰেৰীত তেওঁৰ আটাইতকৈ আকৰ্ষণৰ বস্তু আছিল তেতিয়াৰ 'মাই মেগাজিন', 'ইণ্ডিয়ান ৰিভিউ', 'টাইমছ অৱ আসাম', 'ষ্টেটছ্‌মেন', আৰু বঙলা ভাষাৰ 'ভাৰতবৰ্ষ' আৰু 'প্ৰবাসী' নামৰ সংবাদপত্ৰকেইখন। স্কুলত থাকোতে তেওঁ 'মাই মেগাজিন' আৰু 'ইণ্ডিয়ান ৰিভিউ'ত সৰু-সুৰা প্ৰবন্ধ লিখি এবাৰ নে দুবাৰ দহ টকাকৈ 'মাননি'ও পাইছিল। 'টাইমছ অৱ আসাম' আৰু 'ষ্টেটছ্‌মেন'ত তেওঁ প্ৰৱেশিকা দিয়াৰ সময়ৰপৰা চিঠি লিখিছিল। পিতৃবিয়োগৰ পাছত তেওঁৰ ঘৰত 'ষ্টেটছ্‌মেন' কাকতখন নোলোৱাত তেওঁ নিতৌ অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা দেৱেন্দ্ৰ নাথ বেজবৰুৱাৰ ঘৰৰ আগবাৰান্দাত সেইখন কাকত পঢ়াৰ কথা প্ৰায়ে মনত পেলাইছিল। এইজন বেজবৰুৱাই তেওঁক সংবাদজগতৰ তথাকথিত 'মিষ্টেৰিয়াছ' বা ৰহস্যবোৰৰ সৈতে পৰিচয় কৰাই দিছিল।

মুনীন বৰকটকী সংবাদপত্ৰৰ জগতখনৰ লগত প্ৰায় দুকুৰি বছৰ জড়িত

আছিল। অৱশ্যে কৰ্মী-সাংবাদিক হিচাপে তেওঁৰ সেৱা তিনিবছৰমানহে হ'ব। দ্বিতীয় মহাযুদ্ধৰ সময়ত তেওঁ 'আমাৰ অসম' নামৰ কাকত এখনৰো সহকাৰী সম্পাদক আছিল। সাংবাদিক বুলি ভাবি গৌৰৱ বোধ কৰা মুনীন বৰকটকীয়ে সাংবাদিকতাৰ ক্ষেত্ৰত লক্ষ্মীনাথ ফুকনক 'গুৰু' হিচাপে মানি লৈছিল। ফুকনদেৱক পিতৃৰ দৰেও জ্ঞান কৰিছিল। এই লেখকলৈ দিয়া এখন চিঠিত (২২ এপ্ৰিল '৭৫) লিখিছিল: "ফুকনদাৰ পৰলোকত মই মোৰ পিতৃতুল্য এজনক হেৰুওৱা যেন পাইছোঁ। মোৰ জীৱনত তেখেতৰ প্ৰভাৱ বৰ বেছি আছিল"।

লক্ষ্মীনাথ ফুকনৰ দৰেই বৰকটকীদেৱো অত্যন্ত অনুভূতিপ্ৰৱণ আছিল আৰু মাজে মাজে ওফোন্দ পাতিছিল। ফুকনপ্ৰমুখ্যে অসমৰ গুণী ব্যক্তিসকলৰ উপৰি দেশ-বিদেশৰ মহান লোকসকলৰ জীৱনকাহিনীয়েও তেওঁৰ মনৰ জগতত গভীৰ প্ৰভাৱ পেলাইছিল। বিথোভেন, মিল্টন, নীটছে আদিৰ ব্যক্তিগত জীৱনৰ ঘটনাই তেওঁক সদায় আলোড়িত কৰিছিল। গান্ধীজীৰ হত্যা, সাম্প্ৰদায়িতকতাৰ বলী হোৱা অমূল্য বৰুৱা, চিটিবাছৰ চেপাত নিহত হোৱা জীৱনানন্দ দাসৰ ঘটনা তেওঁ কেতিয়াও পাহৰিব নোৱাৰে বুলি কথা প্ৰসংগত এদিন আমাক কৈছিল। দেশ-বিদেশৰ মহান গ্ৰন্থৰাজিৰ লগত তেওঁৰ সম্পৰ্কৰ বিষয়ে অসমৰ বিদ্বান সমাজে ভালদৰে জানে। সেয়ে প্ৰত্যেকটো লিখনিতে তেওঁৰ অধ্যয়নপুষ্ট মনটোৰ পৰিচয় পোৱা যায়। এই প্ৰসংগত অসম সাহিত্য সভাৰ মঙলদৈ অধিবেশনত (১৯৭৪) আলোচনা চক্ৰৰ সভাপতি হিচাপে 'অসমীয়া সাহিত্যত ঐতিহ্য আৰু আধুনিকতাৰ সমস্যা' — এই বিষয়ে দিয়া ভাষণটিৰ কথাও উল্লেখ কৰিব পাৰি।

সেইবুলি তেওঁ যে অধ্যয়নৰ জগতখনৰ লগতে আবদ্ধ আছিল এনে কথাও নহয়। ১৯৭৫ চনত দেশত জৰুৰী অৱস্থা ঘোষণা কৰাত তেওঁ প্ৰতিবাদ কৰিছিল। স্ত্ৰী ৰেণুকা দেৱী বৰকটকীক ১৯ মাহ জেলত ৰাখোতে সাহস যোগাইছিল আৰু তেতিয়াৰ ন বছৰীয়া মীনাক্ষীক চোৱা-চিতা কৰিছিল। মীনাক্ষীয়ে তেতিয়াই স্বাৱলম্বী হ'বলৈ শিকিলে। যিহওক, এই ঘটনাই বৰকটকীদেৱক ৰাজনীতিৰ ফালে আকৰ্ষিত কৰিলে। জনতা দলে কেন্দ্ৰত ক্ষমতা দখল কৰাৰ পাছত তেওঁ কেন্দ্ৰীয় নেতৃবৰ্গক অসমৰ মৌলিক সমস্যাসমূহৰ সমাধানৰ কাৰণে অনুৰোধ জনাইছিল। এই প্ৰসংগত উল্লেখ কৰিব পাৰি যে ১৯৪১-৪২ চনত তেওঁ ডিব্ৰুগড়ত থাকোতে বিয়াল্লিছৰ আন্দোলনতো জড়িত হৈ পৰিছিল। ইয়াৰ আগেয়ে কোৱা হৈছে, তেওঁ প্ৰত্যেকটো কথাতে তীক্ষ্ণ দৃষ্টি ৰাখিছিল। কেতিয়াবা সেই কথা ব্যক্তিগত চিঠিপত্ৰত লিখি মনৰ ক্ষোভ পাতলাইছিল। ২২.৮.৮১ তাৰিখে দিল্লীৰপৰা দিয়া চিঠি এখনত এইদৰে লিখিছিল — "সাহিত্যিক পেন্সনৰ শ্ৰেণীবিভাগ আৰু বিবেচনাৰ বিভ্ৰান্তি দেখি পুতৌ জন্মিছে। পুৰুষোত্তম দাসে সাহ কৰি সবিনয়ে প্ৰত্যাখ্যান কৰাত



মানুহজনৰ প্ৰতি শ্ৰদ্ধা' বাঢ়িছে। মেঘৰাম পাঠকে পোৱাত ভাল লাগিছে।"

চিঠি-পত্ৰবিলাকত সাধাৰণতে সাহিত্য সম্পৰ্কীয় আৰু দেশৰ বিভিন্ন কথাক প্ৰাধান্য দিছিল। তেওঁৰ লগত সম্পৰ্ক থকা সকলৰো খা-খবৰ ল'বলৈ পাহৰা নাছিল। অমিয় কুমাৰ দাসৰ বিষয়ে তেওঁ প্ৰবন্ধ এটা লিখাৰ কথা কেইবাখনো চিঠিত উল্লেখ কৰিছিল। পিছে প্ৰবন্ধটো তেওঁ লিখি আঁতাব নোৱাৰিলে। এবাৰ তেওঁ লিখিছিল: তুমি সম্ভৱ নেজানা যে অলপতে গুৱাহাটীত আকস্মিকভাৱে পৰলোক হোৱা প্ৰবীণ শিল্পী-অভিনেতা নবীন চন্দ্ৰ শৰ্মা মোৰ ভিনদেউ। তেওঁৰ বিষয়ে 'দৈনিক অসম'ত অনিল বৰুৱাই ভালকৈ একলম লিখিছিল বুলি শুনিছিলোঁ। তাৰ cutting এটা সম্ভৱ হয় যদি পঠাবাচোন।' এবাৰ মহিম বৰাৰ 'কাঠনিবাৰী ঘাট'ৰ মাৰাঠী সংস্কৰণটো ক'তো নাপালো বুলি লিখিছিল। এনেকৈ নিজৰ ভাইৰ দৰে জ্ঞান কৰাৰ কাৰণে ময়ো মনৰ কথা দুই-চাৰিষাৰ তেখেতক কৈছিলোঁ। এদিন বেণুধৰ শৰ্মাদেৱৰ কিবা এটা কথাত অসন্তুষ্ট হৈ তেখেতক জনাইছিলোঁ। সেইদিনা মুখেৰে সান্ত্বনা দিয়েই তেখেত ক্ষান্ত নহ'ল। দুদিনমান পাছতে মোলৈ এখন চিঠিত (২.৩.৭৯) লিখিলে: 'শ্ৰদ্ধেয় বেণুধৰ শৰ্মাৰ ওচৰলৈ গৈ তুমি ক্ষুণ্ণ হোৱা বুলি জানি বেয়া পাইছোঁ। বয়সৰ দোষ বুলি সেইবিলাক কথা আওকাণ কৰিবা।'

মুনীন বৰকটকী মানুহজনৰ মহত্ত্ব এনে ধৰণৰ বহুতো কথাতেই প্ৰকাশ পাইছিল। শেষ সময়ত দিয়া চিঠি এখন পঢ়ি বৰ দুখ লাগিছিল। চিঠিখনত আছিল — 'আজিকালি খোজ কাঢ়ি দীঘলী পুখুৰীৰ পাৰলৈকো যাব নোৱৰা হলোঁ। লাইব্ৰেৰী এৰিলোঁ।... আজিকালি কোনো আহিবলৈকো এৰিছে। একো এটা লিখি-মেলি দিব নোৱাৰোঁ, সভা এখনলৈ গৈ এষাৰ কথা ক'ব নোৱাৰোঁ, কোন আহিব?' আৰু দুখ লাগিছিল আন এখন চিঠি পঢ়ি। তাত আছিল: 'ইমান বছৰে কিমান ভাবিলোঁ, কিমান পাঙিলোঁ, কিমান পঢ়িলোঁ। ক'তা, একোটোকেই কৰিব নোৱাৰিলোঁ দেখোন।' তেখেতে কিখিনি কৰিছিল সেই বিষয়ে ইতিমধ্যে আলোচনা হৈছে আৰু হ'ব ধৰিছে। সময়ত তেখেতৰ ৰচনাৰাজিৰো সাৰ্থক মূল্যায়ন হ'ব। প্ৰতিভাশালী লেখকৰ ক্ষেত্ৰত এই কথা প্ৰায়ে খাটে বুলিব পাৰি। মৃত্যুৰ এসপ্তাহ আগেয়ে শেষ দেখা হোৱা মুনীন বৰকটকীৰ প্ৰায়বোৰ কথা মোৰ মনত সজীৱ হৈ আছে।

বিভিন্নজনৰ দৃষ্টিত মুনীন বৰকটকীৰ লেখক-লেখিকাসকলে- প্ৰতিভাধৰ এইগৰাকী ব্যক্তিৰ বিষয়ে নিৰ্মোহভাৱে আলোচনা আগবঢ়াইছে। সেইসকলক আন্তৰিক কৃতজ্ঞতা জনাইছো। প্ৰথম খণ্ডৰ কেইটিমান প্ৰবন্ধ ইতিপূৰ্বে প্ৰকাশ পাইছে। সেইকেইটা যথাযথভাৱেই ৰখা হৈছে। এই ছেগতে সংশ্লিষ্ট কাকত কেইখনৰ সম্পাদকসকলৰ ঋণ স্বীকাৰ কৰিছোঁ।

গ্ৰন্থখনিৰ প্ৰস্তুতিৰ আৰম্ভণিৰেপৰা শেষলৈকে বিভিন্ন প্ৰকাৰে সহায়

পাইছিলোঁ শ্ৰদ্ধেয়া ৰেণুকা দেৱী বৰকটকী, ডা° আশীষ ভট্টাচাৰ্য্য, ড° মীনাক্ষী ভট্টাচাৰ্য্যৰপৰা। বন্ধুবৰ বীৰেন্দ্ৰকুমাৰ লহকৰে নানা ব্যস্ততাৰ মাজতো গ্ৰন্থখনিৰ আদিৰপৰা অন্তলৈকে আৰ্হিকাকত চাই সম্পাদনাৰ ক্ষেত্ৰত মোক বহুখিনি সহায় কৰিছে। আনপ্ৰকাৰে সহায় পাইছিলো অধ্যাপক যোগেন্দ্ৰনাৰায়ণ ভূঞা, ভগৱান গোস্বামী, ৰত্নকান্ত হাটীমতা আৰু শ্ৰীমান অৰিন্দম বৰকটকীৰপৰা। গুৱাহাটীৰ স্বস্তিকা ছপাশালৰ শ্ৰীপ্ৰতুল দত্ত প্ৰমুখ্যে কৰ্মীসকলে গ্ৰন্থখন অতি কম দিনৰ ভিতৰতে উলিয়াই দিছে। এইসকলৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিছো।

'বুৰঞ্জীবিদ সাহিত্যিক বেণুধৰ শৰ্মা অভিনন্দন গ্ৰন্থ' আৰু 'সাংবাদিক-সাহিত্যিক লক্ষ্মীনাথ ফুকন সোঁৱৰণী গ্ৰন্থ' সম্পাদনা কৰিবলৈ লওঁতে পৰিচয় হোৱা আৰু সেই পৰিচয় এদিন গাঢ়তাত পৰিণত হোৱা অথচ মোৰ তেজ-মঙহৰ একো সম্বন্ধ নোহোৱা শ্ৰদ্ধাভাজন মুনীন বৰকটকীদেৱৰ বিষয়ে এই গ্ৰন্থখন সম্পাদনা কৰিবলৈ পাই নিজে গৌৰৱবোধ কৰিছোঁ আৰু ধন্য মানিছোঁ। গ্ৰন্থখনত অজানিতে কিবা ভুল-দোষ থাকি গ'লে সহৃদয় পাঠকে যেন ক্ষমা কৰে। □

লামডিং কলেজ — **উপেন্দ্ৰ বৰকটকী**
লামডিং — সম্পাদক,
২৬ অক্টোবৰ '৯৪ — বিভিন্নজনৰ দৃষ্টিত মুনীন বৰকটকী



# সূচীপত্ৰ

## শ্ৰদ্ধাঞ্জলি

১। ভাইটিৰ বিষয়ে: সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা .................... ৫
২। মুনীন বৰকটকী: সৰহভাগ নীৰৱতা
অলপ সৰৱতা: ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য .................... ৯
৩। মুনীন বৰকটকীদেৱলৈ শ্ৰদ্ধাঞ্জলি: ড° হীৰেন গোঁহাই.......... ১৭
৪। মুনীন বৰকটকীক সুঁৱৰি: যতীন্দ্ৰনাথ গোস্বামী ............... ২১
৫। মুনীন বৰকটকীৰ বিয়োগত: যোগেন্দ্ৰনাৰায়ণ ভূঞা ............ ২৩
৬। এগৰাকী সৃষ্টিশীল বুদ্ধিজীৱীৰ সোঁৱৰণত: ড° নগেন শইকীয়া.... ২৭
৭। বৰকটকীৰ সান্নিধ্যত: হেমচন্দ্ৰ শৰ্মা........................ ৩০
৮। মুনীন বৰকটকীক মই যিদৰে জানোঁ: ঈশ্বৰপ্ৰসাদ চৌধুৰী......... ৩৩
৯। সান্ত্বনাৰ ভাষা: সুনীল শৰ্মা............................ ৩৫
১০। মুনীন বৰকটকী মানুহজন: হিৰন্ময়ী দেৱী .................. ৩৭
১১। নীৰৱ সাহিত্য-সাধক মুনীন বৰকটকী: বীৰেন্দ্ৰকুমাৰ লহকৰ...... ৪০
১২। ব্যতিক্ৰম ব্যক্তিত্ব: পদ্ম বৰকটকী......................... ৪৫
১৩। সৰু মামা মুনীন বৰকটকী: ড° শীলা বৰঠাকুৰ............... ৪৮
১৪। শোকবাণী ........................................ ৫৪

## প্ৰতিভা

১। মুনীন বৰকটকী: অবিস্মৃত ব্যতিক্ৰম: তিলক হাজৰিকা ......... ৫৯
২। গল্পকাৰ মুনীন বৰকটকী: যোগেশ দাস..................... ৬৩
৩। মুনীন বৰকটকী: ব্যক্তিত্বৰ সাঁচ: অতুলানন্দ গোস্বামী .......... ৬৯
৪। মহানাগৰিক মুনীন বৰকটকী: অজিতকুমাৰ শৰ্মা............... ৭৬
৫। মুনীন বৰকটকী:
সমালোচনামূলক সাংবাদিকতা: ৰঞ্জিৎ কুমাৰ দেৱগোস্বামী........ ৮০


৬। মুনীন বৰকটকীৰ 'বিস্মৃত ব্যতিক্রম': উপেন্দ্র নাথ শর্মা......... ৮৩
৭। বৰকটকী: এক অনন্য প্রতিভা: চাৰু মহন্ত ................. ৯২
৮। মুনীন বৰকটকী: অসামান্য সাংবাদিক: ৰাধিকামোহন ভাগৱতী ... ৯৯
৯। ব্যতিক্রমী ব্যক্তি মুনীন বৰকটকী: ড° শিৱনাথ বর্মন.......... ১০৪
১০। সাক্ষাৎকাৰ: চন্দ্রপ্রসাদ শইকীয়া........................ ১১০
১১। মুনীন বৰকটকীৰ গদ্যৰ নিদর্শন.......................... ১১৭

## In Memoriam

1. Some Messages....................................১২৩
2. A Tribute to Munin Barkotoki: Maheshwar Neog...১২৪
3. In Memory of a Cultured Man: Sheelabhadra.......১২৫
4. A Scholar Passes Away: Ram Goswamee..........১২৮
5. Some Memories of My Friend,
Munin: Krishna Bhuyan...............................১৩০
6. From One Solitude To Another:
Meenaxi Bhattacharjee...............................১৪০

লেখক-লেখিকাসকলৰ চমু পৰিচয়.......................... ১৫৩





ছাত্ৰ হিচাপে পঢ়ি থকা অৱস্থাত মুনীন বৰকটকী